# অনুভৱ তুলসীৰ কবিতা

**মুনীন বায়ন**

*Issue: Vol. IV, No. 2, August-October, 2025*



*অনুভৱ তুলসী*

কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত জন্মলাভ কৰা অসমীয়া কবিসকলৰ ভিতৰত অনুভৱ তুলসীৰ কবিতাৰ বিপুলতা মন কৰিবলগীয়া। এতিয়ালৈকে প্ৰায় কুৰিখন কবিতা-সংকলনেৰে তেওঁ কবিতা অনুৰাগীৰ মনত এক সুকীয়া স্থান অধিকাৰ কৰাটোৱে নিশ্চিত কৰে। কিন্তু কবিতাৰ লেখেৰে অনুভৱ তুলসীৰ কবিতাৰ সিদ্ধি জুখিবলৈ যোৱাটো সঠিক নহ'ব। ১৯৮৫ চনত *নাজমা* নামৰ সংকলনটোৰে অনুভৱ তুলসী নামৰ অনুভৱী কবিগৰাকীয়ে অসমীয়া সাহিত্যত ভুমুকি মাৰিছিল। উৰ্দু কবিতাৰ আৰ্হিত তেওঁ কিছুমান চুটি চুটি স্তৱকত আৱেগ-অনুভূতি-সংবেদনৰ কোমল ধ্বনিময়, চিত্ৰময় জগত এখন ৰচনাৰ প্ৰয়াস কৰিছিল। চৰিত্ৰৰ পিনৰ পৰা লিৰিকেল এই কবিতাখিনিত তেওঁৰ কবিসত্তাৰ উপস্থিতি পঢ়ুৱৈৰ দৃষ্টিত ধৰা নপৰাকৈ নাথাকে। কবিতাৰ বক্তা প্ৰায়ে প্ৰথম পুৰুষত, নহয়তো দ্বিতীয় পুৰুষত। য'ত কবিয়ে পোনপটীয়াকৈ তুলসী নাইবা নাজমাক সম্বোধন কৰিছে। সৰ্বনামবোৰো নিচেই ওচৰৰ মই, মোক, মোৰ, তই, তোক, তুমি, তোমাৰ ইত্যাদি। অনুভৱৰ তীব্ৰতা আৰু আৱেগৰ আধিক্যৰ বাবেই হয়তো কবিৰ মনত একধৰণৰ অস্থিৰতা আৰু অভিব্যক্তিৰ ব্যগ্ৰতা পৰিলক্ষিত হৈছিল।

মই একো এৰি নাযাওঁ,
ফুলত অথবা হুলত
হৃদয়ৰ সোণালী সাঁকো,

মৃত্যুহে মোৰ অভিজ্ঞান।

... ... ...
দুখৰনো বাৰু কি নাই
কোনো আলহী শুদামুখে
ঘৰলৈ নোৱাৰে ঘূৰিব,

বুকুত ভাতৰ ভঁৰাল।

বিষাদ-অভিমান-উদাসীনতাৰ ৰুদ্ধদ্বাৰ মেলি কেতিয়াবা কবিয়ে বিচাৰি পাইছে ৰমণীয় প্ৰকৃতিৰ মাজত গভীৰ আশ্বাস। কবিৰ আৱেগ আত্মনিষ্ঠ যদিও প্ৰতীক আৰু চিত্ৰকল্পবোৰ যেন এক সংবেদনশীল কবি-মনৰ কৰ্ষিত অনুশীলনৰ ফলশ্ৰুতি।

তুলসীক অকলে’ পাই
হৃদয়ৰ ডাঁৰলে' নামি

ৰ'দৰ শুকুলা চেলেং।

পৰ্বত পাহাৰ পাৰ হৈ
মৌচাক যেন বুকুখন
তুমিয়ে পাৰি আনি থ’লা
পুৱাৰ দিকবলয়ত।

আৱেগ-অনুভূতি-অভিজ্ঞতাৰ নৈৰ্ব্যক্তিক আৰু কাব্যিক (Poetic) অনুসন্ধান এনেবোৰ কবিতাত পৰিলক্ষিত নহ’লেও তেনেবোৰ অভিজ্ঞতাৰ আবেদন সাধাৰণ পঢ়ুৱৈৰ বাবে উলাই কৰিব পৰা নহয়। কবিৰ অনুভূতি-অভিজ্ঞতাৰ বৰ্ণিল মানচিত্ৰত কিছুমান জাগতিক সংঘটনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়ায়ো ধ্বনি-প্ৰতিধ্বনি তোলা পৰিলক্ষিত হৈছিল।

নগৰ গয়ৰহ গাঁও,
য'লৈকে নোযোৱা, নাজমা,
কেৱল জুই দেখা পাবা,

দুখে-তাপে দগ্ধ মানুহ।

বিষাদ আৰু অৱহেলাৰ অন্ধকাৰত তিলে তিলে জীৱন উদ্‌যাপনৰ এনে কিছুমান কঠিন অভিব্যক্তি—

মাতত মেটেকাৰ ছানি
পলসে পোতে যাৰ বুকু,
তুলসী সেই মৰাসুঁতি

শিলৰ সপোনত মত্ত।

লিৰিক আৰু আত্মনিষ্ঠ আৱেগৰ বৃত্তৰ ভিতৰৰ পৰা জীৱন আৰু জগতৰ যি ৰূপ প্ৰতিবিম্বিত হয় সেয়া বহু সময়ত একমাত্ৰিক হোৱাৰো সম্ভাৱনা বেছি। কবিতা কবিৰ ব্যক্তিগত আৱেগ-অনুভূতিৰ উচ্ছল লীলা বুলি ধাৰণা কৰা অসতৰ্ক পঢ়ুৱৈক এনে একমাত্ৰিক জীৱনে আকৰ্ষণ কৰিব পাৰে; কিন্তু তাৰ আবেদন এটা সময়ত থমকি ৰ’বলৈ বাধ্য। কবি পল ভালেৰীয়ে কবিতাৰ ভাষাৰ

স্বকীয়তাক বুজাবলৈ পঢ়ুৱৈৰ মনত কাব্যিক অভিজ্ঞতাৰ অনুৰণনৰ কথা কৈছিল। অৰ্থাৎ কবিৰ অনুভূতি তথা সাধাৰণ অভিজ্ঞতাই কবিতাৰ ভাষাৰ মাজেৰে বৃহত্তৰ সাৰ্বজনীন, কাব্যিক অভিজ্ঞতাৰ আয়তন লাভ কৰিলেহে সিয়ে পঢ়ুৱৈৰ মনত কবিতা পাঠৰ পাছত বহু সময়লৈ অনুৰণিত হৈ থাকিব। জীৱন আৰু সামাজিক সংঘটনৰ এই বহুমাত্ৰিক কাব্যিক অভিজ্ঞতা আয়ত্ত কৰিবলৈ হ'লে এলিয়টে কোৱাৰ দৰে কবিয়ে সচেতনভাবে তেওঁৰ ব্যক্তিগত সত্তাৰ বিলয়ৰ অনুশীলন কৰিব লাগিব। আত্মনিষ্ঠতাৰ বৃত্ত অতিক্ৰম কৰিব পাৰিলেহে একাধিক প্ৰেক্ষিতৰ পৰা জীৱন আৰু জগতৰ প্ৰপঞ্চবোৰ পৰ্যবেক্ষণ কৰা সহজ হৈ পৰে।

অনুভৱ তুলসীৰ *নাজমাৰ* পৰা দ্বিতীয় কাব্য-সংকলন *দোৰোণ ফুল*(১৯৯৬)ৰ সময়ৰ ব্যৱধান এঘাৰ বছৰ। এঘাৰ বছৰত তেওঁৰ কাব্য-পৰিক্ৰমাই উৎকৰ্ষৰ কিছুমান তাৎপৰ্যপূৰ্ণ বিন্দু স্পৰ্শ কৰাৰ চিন স্পষ্ট। *দোৰোণ ফুল* নামটোৰ মাজতেই আছে কবিতাৰ বহুধা ব্যঞ্জনাৰ ইংগিত। তিতা ঔষধি বনশাকৰ শুভ্ৰ ফুল— জীৱনৰ বৈপৰীত্য, অনিৰ্ণেয়তা আৰু প্ৰকৃতিৰ ৰহস্যময়তাৰ অনুষংগ বহন কৰা কাব্য-ভাষা সন্ধানৰ আন্তৰিক প্ৰয়াস যেন এই শিৰোনামাতে স্পষ্ট। এই সংকলনৰ কিছুমান কবিতাৰ শিৰোনামতো এই কথা মন কৰিব পাৰি— "খিৰিকিৰ কাঁচ ভাঙি", "আহিন ফুটুকী", "নদীয়াল গাঁৱত সন্ধ্যা", "বালিমাহী মাত", "গন্ধমৌ গাঁৱৰ মূলাতলিলৈ", "শিপাৰে চপচপীয়া", "টুটুৰ কন্যাকাল", "মোনাই নৈৰ শিপা" আদি। কবিৰ সৰ্বনামপ্ৰীতি আছে যদিও পোনপটীয়া সম্বোধন কমি আহিছে। মাজে মাজে মই-তুমিৰ মাজত উৎকণ্ঠা জগাব পৰা কবিৰ অন্য এক সত্তা "সেয়া কোন"ৰ উপস্থিতি—

খিৰিকীৰ কাঁচ ভাঙি সেয়া কাৰ বুনবুননি  
ক'ৰবাত ডাৱৰ আছে হয়তো  
নে অতীত প্ৰপাত  
মোৰ পাখি লগা নয়ন  
খিৰিকীৰ সিপাৰে সেয়া কোন  
মোৰেই হৃদয় হয়তো  
স্বচ্ছতাৰ কাঁচ ভাঙি  
মোকেই হানিছে

পৰিচিত চিত্ৰল উপমাৰ ঠাইত আৱেগৰহিত, ইংগিতধৰ্মী কাব্যভাষাৰ প্ৰয়োগে এই সংকলনত সকলোৰে নজৰ কাঢ়ে। অতীত প্ৰপাত, পাখি লগা নয়ন, স্বচ্ছতাৰ কাঁচ আদি শব্দবন্ধই পঢ়ুৱৈৰ মন-মগজুক স্পন্দিত কৰাৰ লগতে কাব্যিক অভিজ্ঞতাক নতুন এক সংবেদনাৰে সিক্ত কৰি তোলে। এই সংকলনৰ "আহিন ফুটুকী" নামৰ কবিতাটোত নীলমণি ফুকনৰ অনুৰণন থাকিলেও তাৰ আবেদন সুকীয়া। য'ত কবিৰ ব্যক্তিগত হাবিয়াহ প্ৰকৃতিৰ নিবিড় উপলব্ধিৰ মাজত একাকাৰ হৈ বৃহত্তৰ জাগতিক মহিমা লাভ কৰিছে।

তোমাৰ গঙাচিলনী ডেউকাত  
গলি গলি  
মোক গধূলি হ'বলৈ দিয়া  
... ... ...  
আকাশ কহুৱানি কৰাহি  
আহিন ফুটুকী  
আন এক কবিতাৰে

জীৱন আৰু অভিজ্ঞতাৰ গভীৰ মৰ্মৰ পিনে পঢ়ুৱৈৰ মনোযোগ আকৰ্ষণ কৰিব পৰা কবিতাৰ সংখ্যা সংকলনটোত সীমিত যদিও *দোৰোণ ফুলত* আধুনিক কবিতাৰ উপযোগী এক অৰ্থ-ঘনীভূত ভাষাৰ পৰীক্ষা-নিৰীক্ষা সুলভ।

গাঁৱৰ গাভৰু ঘাটলৈ যায়
নঙঠা হৈ নীলাখিনি
নদীক দেখুৱায় ("নদীয়াল গাঁৱত সন্ধ্যা")

মৈদাত বাছি আছিলা সেইদিনা
জীৱনৰ জীয়নীয়া মাছ
প্ৰেমৰো সেয়েই পাতনি ("প্ৰথম প্ৰেম অনা কোনোবা যাদুকৰ")

মই ৰৈ আছোঁ
জাগৰণৰ জোনাক কামনাত
মোৰ বুকুৰ ইকৰা কঁহুৱা
কান্দি-কাটি হিয়ালি-জিয়ালি ("ৰা দেৱতাৰ প্ৰতি")

*দোৰোণ ফুলৰ* বছৰটোতে প্ৰকাশ হৈছিল অনুভৱ তুলসীৰ তৃতীয়খন কাব্যগ্ৰন্থ *জলমগ্ন দৃশ্যাৱলী* (১৯৯৬)। তেওঁৰ আগৰ দুয়োটা সংকলনৰ সৰহ সংখ্যক কবিতা আছিল চুটি চুটি। চুটি কবিতাত ভাবনা একোটাৰ বিস্তাৰতকৈ ভাবনাৰ সংহতিৰ গুৰুত্ব সৰহ। অৱশ্যে এই কঠিন পৰীক্ষাত তেওঁ সকলোতে উত্তীৰ্ণ হৈছে বুলি ক'ব নোৱাৰি। পৰৱৰ্তী সংকলনত তেওঁৰ কেইবাটাও দীঘল কবিতা সন্নিৱিষ্ট হৈছে। এনে দীঘল কবিতাবোৰত কবিৰ এৰি অহা শৈশৱ, অতীতৰ কোনো অনাহুত ঘটনা অথবা স্মৃতিয়ে ভৰ কৰিছে। "চিৰশ্ৰী" তেনে এটা কবিতা। "চিৰশ্ৰী"ৰ প্ৰথম দুটা স্তৱক *দোৰোণ ফুলত* পঢ়িবলৈ পাইছিলোঁ। তৃতীয় স্তৱকটো *জলমগ্ন দৃশ্যাৱলীত* অন্তৰ্ভুক্ত হৈছে। কবিতাটো হৈছে আপাতত ক্ষণিক পৰিচয়ৰ পাছত কোনো অপৰিচিতাৰ সৈতে হোৱা সম্পৰ্কৰ ৰোমন্থন। সেই সম্পৰ্কৰ সূচনাত প্ৰেমৰ উত্তেজনা শাৰীৰিক সান্নিধ্যৰ ব্যাকুলতা-অস্থিৰতা-আড়ষ্টতা সকলো আছিল।

ৰাম মন্দিৰত সেৱা জনাই আহি তুমি মোক
হাতৰ টিপতে অনা গ্ৰেনাইটৰ মমদানিটো দিলা।
জাঁউবন যেন জাকৰুৱা মানুহৰ মাজত
কথা পতাৰতো সুযোগ নাছিলেই
দূৰত্ব বজাই ৰাখিহে খোজ পেলাইছিলোঁ।
সিমানতো সিদিনা বংগোপসাগৰৰ বলুকাত
আমাৰ ভৰি বাৰুকৈয়ে পিছলিছিল।

অনুপ্ৰাসে গুঞ্জন তোলা এই শাৰীকেইটাৰ মাজেৰে দুই নৰ-নাৰীৰ পাৰস্পৰিক সঁহাৰি আৰু প্ৰথম প্ৰেমৰ আড়ষ্টতা সুন্দৰকৈ ফুটি উঠিছে। সেই অনুৰাগ কিন্তু প্ৰাপ্তিৰ দুৱাৰডলিত উপনীত হ'ব নোৱাৰিলে। বক্তাৰ স্বীকাৰোক্তি মতে "বিশেষ কাৰণবশতঃ সেই আবেলি আছিল বিয়োগান্ত"। মন কৰিবলগীয়া কথা, তথ্যজ্ঞাপক এই বাক্যটো সমগ্ৰ কবিতাটোত তেনেই গদ্যগন্ধী। কিয় আছিল আবেলিটো বিয়োগান্ত? বক্তাৰ বাবে সেই আবেলিৰ অভিজ্ঞতা যে প্ৰীতিকৰ নাছিল সেই কথা এনে কিছুমান চমকপ্ৰদ কাব্যোক্তিৰ মাজেদি প্ৰকাশ পাইছে—

মুখ ঢাকি মৌন হ'ব খোজোতে হাতৰ তলুৱাৰ
স্বচ্ছ চিমনি ভাগি তোমাক কৰিছিল ছিৰাছিৰ

শাখা-প্ৰশাখা সোমাই থ'ব খুজিছিলা খোৰোঙত

অন্তৰ্বাস খহি পৰিব বুলি
ছাল ফুটাই মাৰি লৈছিলা ছেফটি পিন

এই ঘটনাৰ পাছত সেই ক্ষণিকৰ পৰিচিতা হয়তো আঁতৰি গৈছিল। কিন্তু বক্তাৰ জীৱনৰ পৰা তেওঁ জানো সঁচাকৈ আঁতৰি গৈছিল? বক্তাৰ স্মৃতিত এতিয়াও ডগমগীয়া হৈ থকা সাগৰতীৰৰ সেই আবেলিৰ অপসৃয়মান অস্তিত্বই আজিও আমনি কৰে।

এতিয়া অপসৃয়মান সেই অস্তিত্বৰ পৰা
তোমাক সামৰি নিজকে চম্ভালি ল'বলৈ কিজানি
মোকো লাগিব লক্ষ কোটি দীপান্বিত দিন

বক্তাৰ এই উক্তিয়ে আমাক জনায়, সেই দুঃসহ স্মৃতিৰ পৰা আজিও তেওঁ পৰিত্ৰাণ পোৱা নাই। তাৰ বাবে তেওঁ বিচাৰিছে ক্ষুদ্ৰ মানুহৰ জীৱনে ঢুকি নোপোৱা লক্ষ কোটি দীপান্বিত দিন! "কলংকিত সেই অধ্যায়"ৰ বাবে বক্তাৰ মনত সংশয় আৰু অপৰাধবোধৰ লগতে অনুশোচনাও আছে। "লক্ষ কোটি দীপান্বিত দিন"ৰ বাবে অপেক্ষাই ধৰ্মীয় অনুষংগ কিছুমানৰ লগতে আধ্যাত্মিক উত্তৰণৰ আকাংক্ষাকো প্ৰতিফলিত কৰে।

*জলমগ্ন দৃশ্যাৱলীৰ* "চিৰশ্ৰী"ৰ স্তৱকটোতে আমি পাওঁ সময়ৰ ব্যৱধানে কবিৰ সেই অভিজ্ঞতাৰ নিদাঘ যেন পাতলাই দিছে। বয়স বঢ়াৰ লগে লগে বক্তা স্থিতধী হৈছে, সকলো অভিজ্ঞতা আৰু যন্ত্ৰণাক অভিযোগ নকৰাকৈ গ্ৰহণ কৰাৰ সৌম্য মানসিকতা অৰ্জন কৰিছে।

বতাহৰ বিষাদগ্ৰন্থি এতিয়া অমৃতেৰে পূৰ্ণ
মোৰ চেতনাত মেৰ লোৱা তুমি সময়হীন সাপ
... ... ...
সুখস্পৰ্শৰ ক'ৰবাত শিলীভূত সেই ক্ষণ
পুনৰ বিচাৰি কিয় থান্দিম খণ্ডগিৰি

সেই "সময়হীন সাপ" বক্তাৰ চেতনাত আজিও সেই সুখস্মৃতি, বিচ্ছেদৰ বেদনা জগাব নিবিচাৰিলেও যেন লিপিট খাই আছে। বুকুত সামৰি তেওঁ কৰিব বিচাৰিছে জীৱনৰ সৈতে নতুন সন্ধি—

তাম বৰণীয়া টোপনিত পোত গৈ থক চন্দ্ৰভাগা
তলুৱা খুঁচৰি তুমিও সোঁতৰ নেভাঙিবা তন্ময়তা

"চিহ্নযাত্ৰাৰ কেইটিমান জলমগ্ন দৃশ্য" আন এটা দীৰ্ঘ কবিতা। শৈশৱৰ পৰা যৌৱন, যৌৱনৰ পৰা প্ৰৌঢ়ত্বলৈ জীৱন-চেতনাৰ বিস্তাৰ আৰু উপলব্ধি কবিতাটোৰ বিষয়। বক্তাৰ চেতনাত পোত খাই থকা জীৱনৰ কিছুমান খণ্ডচিত্ৰৰ জৰিয়তে উন্মোচিত হৈছে পাৰিবাৰিক আৰু মানৱীয় সম্পৰ্কৰ অনাবিল অনুভূতি, নিসৰ্গৰ সৈতে গাঁৱলীয়া জীৱনৰ নিবিড় সান্নিধ্যৰ কথা। সেই জীৱনত অনিশ্চয়তা থাকিলেও বিস্ময়বোধৰ অভাৱ নাছিল, দুখ আছিল, কিন্তু সেই দুখে জীৱনৰ আন বহু ঐশ্বৰ্য মলিন কৰি দিয়া নাছিল

ধ্বংসৰ বাটৰ তোৰণৰ পৰাই মই ঘূৰি আহিছিলোঁ
পানীৰ অতল তৰপৰ তৰলীকৃত সেই তোৰণ দিনে-ৰাতিয়ে পহৰা দিছিল
অনিৰ্বাণ-অগ্নিশিখাৰ একা-বেঁকা তৰোৱালে

প্ৰাত্যহিক জীৱনৰ তুচ্ছাতিতুচ্ছ টনা-আঁজোৰা, সংঘাত-সংঘৰ্ষ আৰু মান-অভিমানৰ মাজত থাউনি নোপোৱা সাধাৰণ মানুহৰ মনত ধ্বংস আৰু সৃষ্টিৰ অপাৰ্থিৱ ৰহস্যময়তাই জীয়াই ৰাখিছিল জীৱনৰ অন্তহীন স্পৃহা—

এদিন দুৱাৰডলি গৰকি পানী আহি ঘৰ সোমাইছিল
সেই পানীত প্ৰসূতি আইৰ শোৱাপাটী আছিল ওপঙি
কপিলী কলঙৰ বুকুত থিতাপি নোপোৱা ক্ৰোধিত তৰলে
পিৰালি থান্দি বেৰ চাল জুহাল উটাই নিব খুজিছিল
শিলৰ গভীৰৰ শিপা উভালি নিচিহ্ন কৰি দিব বিচাৰিছিল
শৈশৱ কৈশোৰ সংলগ্ন ফুলগন্ধৰ সাঁকো
সিটো পাৰে ৰিণিকি প্ৰৌঢ়তাত লাগিছিল থহনীয়া
যৌৱনৰ ধামখুমিয়াত পৰি দেউতা যদিও পলাতক
আইৰ জৰায়ুত দ্বিতীয়াৰ নৱোদিত জোন দেখি
পাঁচী-আটী ৰূপহী পথাৰ ধাত্ৰীজননী
আনন্দত হৈ পৰিছিল উৰুলিকৃত

অসমীয়া ভাষাৰ শব্দ ঐশ্বৰ্য আৰু তাৰ প্ৰকাশিকা শক্তিৰ প্ৰতি অনুভৱ তুলসী যথেষ্ট সজাগ। সময়ৰ লগে লগে তেওঁৰ কবিতাত অসমীয়া ভাষাৰ এক নিজা শৈলী তথা ভংগী আয়ত্ত কৰাৰ আন্তৰিক প্ৰয়াস স্পষ্ট। লোকজীৱনৰ পৰা তুলি অনা সহজ-সৰল শব্দৰ লগতে সংস্কৃত তৎসম শব্দৰ প্ৰয়োগেৰে ধ্বনিময়তাৰ এক আবহ সৃষ্টি কৰাৰ প্ৰচেষ্টা তেওঁৰ বহু কবিতাত পৰিলক্ষিত হয়। সম্ভৱতঃ এই কাৰণেই তেওঁৰ কবিতাৰ অনুপ্ৰাসৰ দৰে শব্দালংকাৰ আৰু উৎপ্ৰেক্ষাৰ দৰে অৰ্থালংকাৰৰ প্ৰয়োগ চকুত পৰা বিধৰ। অৱশ্যে প্ৰতীকঘন ভাষাৰ প্ৰতি অহেতুক দুৰ্বলতা আৰু অলংকাৰ বাহুল্যই কবিতাক দুৰ্বোধ্যতা আৰু বিভ্ৰান্তিৰে ভাৰাক্ৰান্ত কৰি তোলাৰ সম্ভাৱনা প্ৰচুৰ। অনুভৱ তুলসীৰ কবিতাতো তেনে উদাহৰণ আছে। আলোচ্য কবিতা "চিহ্নযাত্ৰাৰ কেইটিমান জলমগ্ন দৃশ্য"ৰ এই স্তৱকটোৰ আউল লগা ভাষা আৰু উৎপ্ৰেক্ষা-প্ৰতীকৰ বহুলতাই কবিতাটোৰ অন্তৰ্নিহিত ভাবৰ সংহতি দুৰ্বল কৰাৰ লগতে তাৰ সৌন্দৰ্যও ম্লান কৰিছে। তেওঁৰ চুটি কবিতাবোৰত এনে দুৰ্বলতা কম।

**মুনীন বায়ন** এগৰাকী মননশীল সমালোচক আৰু সাংবাদিক। সমালোচক হিচাপে তেওঁ সাহিত্য আৰু চলচ্চিত্ৰ দুয়োখন ক্ষেত্ৰতে সক্ৰিয়। *জীৱনৰ স্বপ্ন দুৰ্নিবাৰ* (২০২৪) তেওঁৰ শেহতীয়া গ্ৰন্থ, য'ত সাহিত্য আৰু চলচ্চিত্ৰৰ লগতে সমসাময়িক সমাজ আৰু ৰাজনৈতিক প্ৰসংগৰো নিৰ্বাচিত প্ৰবন্ধ সন্নিৱিষ্ট হৈছে।